# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ ষষ্ঠ** **বিষয় ঃ ভাষা-১ (অসমীয়া)** **তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ, ২০১৮) ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিত থকা পাঠৰ যুক্তাক্ষৰযুক্ত শব্দবোৰ স্পষ্টভাৱে পঢ়িব পাৰিব আৰু বুজি পাব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে যতি বিৰাম চিহ্নৰ সঠিকভাৱে প্ৰয়োগ কৰি পাঠ্যপুথিত থকা বিভিন্ন পাঠ পঢ়ি বুজি পাব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে পঠনৰ বেগ বৃদ্ধি পোৱাৰ উপৰি কবিতা পাঠ, উপযুক্ত আবৃত্তি ভংগীমাৰে পঠন কৰিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ বাহিৰেও আন বিভিন্ন বিষয়ৰ পাঠ, দফা আদি পঢ়ি বুজি পাব আৰু পাঠৰ প্ৰতি অধিক আগ্ৰহী হ'ব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ -২০১৮) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) মহিয়সী হেলেন কেলাৰ | - পাঠ নং ১০ |
| খ) সঞ্চয় | - পাঠ নং ১১ |
| গ) মনোৰম মাজুলী | - পাঠ নং ১২ |

**পাতনি ঃ**

এই সমল সামগ্ৰী প্ৰস্তুত কৰোঁতে 'শিক্ষাৰ অধিকাৰ আইন ২০০৯' অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিঙ্গ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ কৌশল হৈছে পঠন। ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নৰ ক্ষমতা সুস্থভাৱে গঢ়ি তোলাই হৈছে পঠন কৌশলৰ মূল উদ্দেশ্য। শুদ্ধ আৰু স্পষ্ট পঠনে ছাত্ৰ-ছাত্ৰীৰ পাঠৰ বিষয়বস্তু বোধগম্য হোৱাত সহায় কৰে।

২০১৭ ইং গুণোৎসৱ আৰু নাছ (NAS)ৰ মূল্যায়নৰ ভিত্তিত পোৱা তথ্যমতে ষষ্ঠ শ্ৰেণীৰ পঠনবোধৰ ক্ষেত্ৰত শিকন ঘাটি দেখিবলৈ পোৱা গৈছে। ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ পাঠৰ বাক্য, দফা পঢ়ি বুজি নাপায়; যাৰ ফলত সেই বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ শুদ্ধভাৱে ক'ব আৰু লিখিব নোৱাৰে। পঠনবোধৰ ক্ষেত্ৰত দেখা দিয়া শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহ(Grey Area) বাছি উলিয়াই ছাত্ৰ-ছাত্ৰীৰ পঠনবোধৰ পৰিপুষ্টিৰ বাবে উন্নত আৰু উচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

ভাষা শিক্ষাৰ ক্ষেত্ৰত পঠনৰ বিশেষ প্ৰয়োজন। ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা ২০০৫ (NCF)তো পঠনৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে আৰু বিদ্যালয়ৰ প্ৰতিটো স্তৰতে এই ৰূপৰেখা অনুসৰি ব্যক্তিগত পঠনৰ সুবিধা দিয়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

উপযুক্ত প্ৰচেষ্টা আৰু অনুশীলনেৰে ছাত্ৰ-ছাত্ৰীসকলৰ পঠন দক্ষতা বৃদ্ধি কৰিব পাৰি। শিক্ষক-শিক্ষয়িত্ৰীসকলে সেয়েহে উপযুক্ত ক্ৰিয়া-কলাপ আৰু পৰ্য্যাপ্ত পৰিমাণৰ অনুশীলনৰ ব্যৱস্থা কৰিব লাগে।

পঠনৰ মূল উদ্দেশ্য হৈছে পাঠত থকা লিখিত দফাবোৰ পঢ়ি বুজি পোৱা। তদুপৰি সৰৱ পঠনৰ জৰিয়তে

বৰ্ণ আৰু শব্দৰ শুদ্ধ আৰু স্পষ্ট উচ্চাৰণ কৰিব পৰা।

⇨ ভাষা শিকনৰ উপৰি বিদ্যায়তনিক বিভিন্ন বিষয় শিকিবলৈ আৰু জ্ঞান লাভ কৰিবলৈ পঠন কৌশলৰ প্ৰয়োজন।

⇨ পাঠ বহিৰ্ভূত বিভিন্ন বিষয়ৰ লিখন আৰু পঠন কৌশলৰ জৰিয়তে মানৱীয় প্ৰমূল্যবোধ আহৰণ কৰিব।

⇨ পঠন কৌশলৰ দ্বাৰাই কবিতা, গল্প, প্ৰবন্ধৰ ভাব, অনুভূতি, ৰসচেতনা, শিল্প বৈশিষ্ট্য আদি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সুপ্ত হৈ থকা সৃজনী প্ৰতিভাৰ বিকাশ হ'ব।

**এই সমল সামগ্ৰীৰপৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

⇨ অধিক অনুশীলন আৰু পূৰ্ব নিৰ্দ্ধাৰিত পৰিকল্পনাৰে সকলো ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশ গ্ৰহণৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

⇨ পাঠ্যপুথিৰ বহিৰ্ভূত পাঠ, যেনে — শিশু আলোচনী, শিশু গ্ৰন্থ, বাতৰি-কাকত, সাধু কথা আদি পঠন সামগ্ৰীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতা বৃদ্ধিৰ বাবে বিভিন্ন ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰিব পাৰিম।

⇨ পঠনৰ দুৰ্বল দিশবোৰ চিনাক্ত কৰি সৰৱ পঠনৰ পুনঃ পুনঃ অনুশীলনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতা বৃদ্ধিৰ পৰিকল্পনা কৰিব পাৰিম।

⇨ শিক্ষণ-শিকন প্ৰক্ৰিয়াত পঠনৰ অবিৰত মূল্যায়নৰ সুবিধা পাম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল ঃ**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১) যতি বিৰাম চিহ্নৰ শুদ্ধ প্ৰয়োগেৰে পাঠ্য পুথিত থকা বিভিন্ন পাঠ পঢ়ি বুজি পোৱা (দাড়ি, কমা, প্ৰশ্নবোধক, উৰ্দ্ধকমা, বন্ধনী আদি চিনৰ ব্যৱহাৰ কৰিব পৰা) | ⇨ যুক্তাক্ষৰ থকা শব্দ তালিকা, যতি বিৰাম চিহ্নৰ ব্যৱহাৰ থকা বাক্য কাৰ্ড | ক্ৰিয়া-কলাপ | ১) প্ৰশ্ন ঃ তলত দিয়া যুক্তাক্ষৰযুক্ত কবিতাৰ অংশটি আবৃত্তিমূলক ভংগীমাৰে পাঠ কৰা —<br>"পুণ্যতোয়া গঙ্গাজল সাঁচি থ'লে,<br>হয় শান্তিয়নী পৱিত্ৰ জল।<br>সোণৰ পাত্ৰতো ম'হৰ ঘুলিৰ<br>জল সাঁচি থ'লে নহয় নিৰ্মল।।<br>সাঁচি থোৱাকেই সঞ্চয় নকয়—<br>যদি তাৰ হিত সাধন নহয়। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ২) পাঠত থকা বিভিন্ন যুক্তাক্ষৰযুক্ত শব্দবোৰ শুদ্ধকৈ পঢ়িব আৰু বুজিব পৰা | ⇨ যুক্তাক্ষৰ থকা শব্দৰে গঠিত বাক্যৰ তালিকা। | ক্ৰিয়া-কলাপ | ২) প্ৰশ্ন ঃ তলত দিয়া যুক্তাক্ষৰ কেইটাৰে শব্দ গঠন কৰি পঢ়া—<br>ক্ত ঞ্চ স্ত্ৰ ন্ত্ৰ স্প | |
| ৩) পাঠ্যপুথি বহিৰ্ভূত সামগ্ৰী (হাতে লিখা, ছপা কৰা) সাধুকথাৰ শিশু গ্ৰন্থ, বাতৰি-কাকত, শিশু আলোচনীৰ বিভিন্ন দফা পঢ়ি বুজি পোৱাৰ উপৰি পঠনৰ বেগ বৃদ্ধি পোৱা। | ⇨ বাতৰি-কাকত,<br>⇨ শিশু আলোচনী,<br>⇨ সাধুকথা গ্ৰন্থ। | ক্ৰিয়া-কলাপ | ৩) প্ৰশ্ন ঃ তলত দিয়া বাতৰি-কাকতৰ দফাটি পঢ়া আৰু কি বুজিলা কোৱা।<br>**ভেজাল গাখীৰ আৰু দুগ্ধজাত সামগ্ৰী**<br>সু-স্বাস্থ্য সকলোৰে কাম্য। আনন্দ আৰু উন্নতমানেৰে জীয়াই থাকিবলৈ হ'লে, মানুহ সু-স্বাস্থ্যৰ গৰাকী হ'বই লাগিব। মানৱ শৰীৰ আৰু মন নিৰোগীকৈ ৰাখি সু-স্বাস্থ্যৰ গৰাকী হ'বলৈ উপযুক্ত নিৰ্ভেজাল আৰু পুষ্টিকৰ খাদ্য খোৱাটো অত্যন্ত জৰুৰী। গাখীৰ এনে এবিধ খাদ্য য'ত মানৱ শৰীৰৰ বাবে প্ৰয়োজনীয় সকলোবিধ পুষ্টিকৰ উপাদান পোৱা যায়। কিন্তু সম্প্ৰতি ভাৰতবৰ্ষত আটাইতকৈ বেছি ভেজাল হোৱা খাদ্য-সামগ্ৰীবিধেই হ'ল গাখীৰ আৰু দুগ্ধজাত সামগ্ৰী। | |
| ৪) পঠন বোধ | ⇨ বাক্য কাৰ্ড, চিত্ৰ। | ক্ৰিয়া-কলাপ | ৪ ক) বাক্য কাৰ্ডত থকা বাক্যশাৰীৰ পৰা এটি কাহিনী বৰ্ণনা কৰা —<br>বাক্য কাৰ্ড ঃ **'বানপানী আৰু গৰাখহনীয়াই মানুহৰ সপোন ভাঙে।'** | |

**পঠন দক্ষতা বিকাশৰ ব্যৱস্থাৱলী—**

ষষ্ঠ শ্ৰেণীৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে পঠনত যতি বিৰাম চিহ্নৰ ব্যৱহাৰ নজনাৰ উপৰি যুক্তাক্ষৰযুক্ত শব্দ থকা পাঠ স্পষ্টভাৱে পঢ়িব নোৱাৰে। এইক্ষেত্ৰত শিক্ষয়িত্ৰী বিনীতা পায়েঙে পঠন কাৰ্যত ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে ক্ৰিয়া-কলাপৰ জৰিয়তে উৎসাহিত কৰিছিল জানিবলৈ তলৰ ক্ষেত্ৰ অধ্যয়নটো পঢ়ি চাওঁ আহকচোন —

**ক্ষেত্ৰ অধ্যয়ন (Case Study)**

বিনীতা পায়েঙ ষষ্ঠ শ্ৰেণীৰ অসমীয়া ভাষা বিষয়টো পঢ়োৱা এগৰাকী শিক্ষয়িত্ৰী। শ্ৰেণীকোঠাত যুক্তাক্ষৰ পঠন আৰু যতি চিহ্নৰ সঠিক প্ৰয়োগেৰে পঠনৰ বাবে আগতীয়াকৈ শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰি লৈছিল। তেখেতে পাঠ্যপুথিৰ ১০,১১ আৰু ১২ নং পাঠত থকা যুক্তাক্ষৰকেইটা শুদ্ধভাৱে যতি চিহ্ন প্ৰয়োগ কৰি এটা কাহিনী চাৰ্টত লিখি যুক্তাক্ষৰযুক্ত শব্দসমূহ লিখিলে।

**প্ৰস্তুতি**

⇨ যুক্তাক্ষৰযুক্ত শব্দৰ পৰা যুক্তাক্ষৰটো বাছি লৈ প্ৰস্তুত কৰা এখন যুক্তাক্ষৰৰ তালিকা

⇨ বাক্য কাৰ্ড, যুক্তাক্ষৰ কাৰ্ড

⇨ বেলেগ বেলেগ কাহিনীৰ চাৰ্ট

বিনীতা পায়েঙে কাহিনী লিখা চাৰ্টখন বোৰ্ডত কাষত আৰি দিলে। শ্ৰেণীকোঠাৰ ছাত্ৰ-ছাত্ৰীসকলক ৬ টা দলত ভাগ কৰি প্ৰতিটো দলকে প্ৰস্তুত কৰি লোৱা কাহিনীটোৰ চাৰ্ট ভগাই দিলে। প্ৰতিটো দলৰে একোজনক বেৰত আৰি দিয়া কাহিনীৰ চাৰ্টখন পঢ়িবলৈ দিলে আৰু বাকী ছাত্ৰ-ছাত্ৰীসকলক পঢ়ি থকা ছাত্ৰ-ছাত্ৰীজনৰ ভুল হোৱা শব্দবোৰৰ তলত দাগ দি যাবলৈ ক'লে। এইদৰে প্ৰতিটো দলৰ পঠন কাৰ্য সমাপ্ত হোৱাৰ পিছত ভুল হোৱা শব্দবোৰ ছাত্ৰ-ছাত্ৰীক দেখুৱাই দি আলোচনা কৰি শব্দৰ উচ্চাৰণবোৰ শুদ্ধ কৰি দিলে। তদুপৰি ভুলকৈ উচ্চাৰণ কৰা যুক্তাক্ষৰযুক্ত শব্দবোৰ শিক্ষয়িত্ৰী গৰাকীয়ে চাৰ্টখনত দেখুৱাই একোটা শব্দ সৰৱে শুদ্ধ নোহোৱা পৰ্যন্ত সমস্বৰে পঠন কৰিবলৈ দিলে। তদুপৰি শিক্ষয়িত্ৰীগৰাকীয়ে পূৰ্বে প্ৰস্তুত কৰি থোৱা চাৰ্টত থকা যুক্তাক্ষৰযুক্ত শব্দৰ দৰে নতুন শব্দ গঠন কৰিবলৈ দিলে। এইদৰে ছাত্ৰ-ছাত্ৰীসকলক শব্দবোৰ বহুকেইবাৰ চৰ্চা কৰিবলৈ ক'লে। এই কাৰ্যত শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ দুগৰাকীকো শিক্ষয়িত্ৰী পায়েঙে শুদ্ধভাৱে উচ্চাৰণ কৰাৰ বাবে উৎসাহিত কৰিলে। বিনীতা পায়েঙে মন কৰিছিল যে এনেদৰে পঠন কাৰ্য অনুশীলন কৰাৰ সময়ত শ্ৰেণীকোঠাত থকা ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিলে। আনন্দ মনেৰে কবিতা পাঠৰ বাবেও বিনীতা পায়েঙে শ্ৰেণীকোঠাত যুক্তাক্ষৰযুক্ত শব্দ তালিকা, বাক্য কাৰ্ড, কবিতাৰ চাৰ্ট আদি একেধৰণে ব্যৱহাৰ কৰি আৰ্হি পঠনৰ সহায়ত কবিতাৰ পঠন কাৰ্য কৰিছিল।

এনেদৰে ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিদিনে ক্ৰিয়া-কলাপ, অনুশীলন দিয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে যতি বিৰাম চিহ্নৰ শুদ্ধভাৱে ব্যৱহাৰ কৰি যুক্তাক্ষৰযুক্ত বাক্যৰে ভৰা দফাবোৰৰ পঠন কাৰ্য পৰা হ'ল।

**চিন্তা কৰি চাওঁ আহক —**

⇨ বিনীতা পায়েঙে কেনেদৰে ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক যতি বিৰাম চিহ্ন শুদ্ধভাৱে প্ৰয়োগ কৰি যুক্তাক্ষৰযুক্ত শব্দ, বাক্যবোৰ পঢ়িব পৰা কৰিবলৈ চেষ্টা কৰিছিল?

পঠন দক্ষতা আয়ত্ত কৰাৰ বাবে শ্ৰেণীকোঠাত আন উপায়েৰে অনুশীলন কৰাব পাৰি নেকি? বিনীতা পায়েঙৰ দৰে আমিও কৰি চাওঁ আহক।

**ক্ৰিয়া-কলাপ ঃ**

শ্ৰেণীকোঠাত যতি চিহ্নৰ শুদ্ধ প্ৰয়োগ কৰি যুক্তাক্ষৰযুক্ত শব্দ আৰু বাক্যবোৰ পঢ়াৰ বাবে অংশীদাৰী পঠনৰ ব্যৱস্থা কৰিব পাৰোঁ অৰ্থাৎ আমি শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীৰ সৈতে পঠন কাৰ্যত অংশগ্ৰহণ কৰি পাঠ আগুৱাই নিব পাৰোঁ। পঠন কাৰ্যৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে যুক্তাক্ষৰযুক্ত শব্দবোৰ যাতে সহজে পঢ়িব পাৰে তাৰ বাবে শিক্ষক শিক্ষয়িত্ৰীয়ে যুক্তাক্ষৰৰ এখন ৰঙীন তালিকা প্ৰস্তুত কৰিব পাৰে।

একেদৰে এখন যুক্তাক্ষৰযুক্ত বাক্যৰ কবিতা নাইবা কাহিনীৰে দফা থকা এখন চাৰ্ট প্ৰস্তুত কৰিব পাৰি। এনেদৰে তালিকা, চাৰ্ট আদিৰ সহায়ত শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশীদাৰী পঠন কাৰ্য আগুৱাই নিব পাৰিব। শিক্ষক শিক্ষয়িত্ৰীয়ে নিৰ্দেশক দণ্ডৰ সহায়েৰে তালিকা, চাৰ্ট আদিত থকা শব্দ, বাক্য আৰু দফাবোৰৰ আদৰ্শ পঠন কৰি সমস্বৰে ছাত্ৰ-ছাত্ৰীসকলকো পঢ়িবলৈ দিব। সমস্বৰ পঠনৰ পাছত গাইগুটীয়াকৈ পঢ়িবলৈ দিব। ভুল হোৱা বাক্যবোৰ বাৰে বাৰে পঠন কৰিবলৈ দি শিক্ষকে শুধৰাই দিব।

পাঠ্যপুথিত থকা ১০ নং পাঠ 'মহিয়সী হেলেন কেলাৰ' নামৰ পাঠটো উলিয়াই পাঠটোৰ দফাবোৰ ভগাই দি প্ৰতিটোদলৰ এজনক দফাটো পঢ়িবলৈ ক'ব আৰু আনকেইজনে শুনি যাব আৰু ভুলবোৰ পেঞ্চিলেৰে দাগ দি যাব। এইদৰে পাল পাতি পঢ়ি যোৱা সময়ত ভুলবোৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে লগে লগে শুধৰাই দিব। শেষত মূল্যায়নৰ বাবে যুক্তাক্ষৰযুক্ত বাক্য বোৰ্ডত লিখি দি ছাত্ৰ-ছাত্ৰীসকলক যতি বিৰাম চিহ্নৰ শুদ্ধ প্ৰয়োগেৰে এজন এজনকৈ সেই বাক্যবোৰ পঢ়িবলৈ দিব। এই কাৰ্যত ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰে এজনক দলপতি নিৰ্বাচিত কৰি ভুলবোৰ চিনাক্ত কৰাৰ বাবে উৎসাহিত কৰিব লাগিব।

একেদৰে পাঠ ১১ ত থকা 'সঞ্চয়' নামৰ কবিতাটিৰ পঠন কাৰ্যতো আবৃত্তিমূলক ভংগীমা, যুক্তাক্ষৰ আৰু যতি চিহ্নৰ আৰ্হি পঠন আৰু একেধৰণৰ ক্ৰিয়া-কলাপ অনুশীলন কৰাব পাৰি। এই ক্ৰিয়া-কলাপ অনুশীলনৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে আনন্দ পোৱাৰ উপৰি পঠনত সক্ৰিয় অংশগ্ৰহণ কৰাৰ বাবে আগ্ৰহী হ'ব।

*বিঃদ্ৰঃ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।*

**সাৰাংশ ঃ** ছাত্ৰ-ছাত্ৰীসকলৰ পঠন দক্ষতা বঢ়াবৰ বাবে কেনেদৰে শিক্ষক-শিক্ষয়িত্ৰীসকলে সহায় আগবঢ়াব পাৰে সেই বিষয়ে এই সমল সামগ্ৰীটোত গুৰুত্ব দিয়া হৈছে। সমল সামগ্ৰীত উল্লেখ থকা ক্ৰিয়া-কলাপ আৰু অনুশীলনে ছাত্ৰ-ছাত্ৰীৰ পঠন দুৰ্বলতা দূৰ কৰাত সহায় কৰিছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ পঠনৰ দৃঢ়ীকৰণৰ বাবে তলত উল্লেখ কৰা প্ৰশ্নবোৰ কৰি চাওঁ আহক ঃ

প্ৰশ্ন ঃ তলত দিয়া দফাটো যতি চিহ্নৰ সঠিক প্ৰয়োগেৰে পাঠ কৰা —

খোৱা-লোৱাৰ বাবে কিছুসময় বাকী থকাত বৰুৱা ছাৰে সমূহীয়াকৈ ক'লে — এই সত্ৰসমূহে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ সুমধুৰ স্মৃতি বহন কৰে। বিৰল প্ৰতিভাৰ অধিকাৰী গুৰু দুজনাৰ মিলনক মণিকাঞ্চন সংযোগ বোলা হয়। কথিত আছে বেলগুৰি সত্ৰত তেখেত দুগৰাকীৰ প্ৰথম সাক্ষাৎ হৈছিল। মহাপুৰুষ দুজনাই অসমৰ জাতি, বৰ্ণ আৰু ধৰ্মৰ সংকীৰ্ণতা আতঁৰাই নৱবৈষ্ণৱ ধৰ্মৰ উদাৰ নীতিৰে কলা, সাহিত্য, সংস্কৃতি আৰু সমাজখনকো সংস্কাৰ কৰি থৈ গৈছে।

⇨ তলত দিয়া যুক্তাক্ষৰকেইটাৰে শব্দ গঠন কৰি একোটাকৈ বাক্য সাজা আৰু পঢ়া —

| | | | |
|---|---|---|---|
| স্প | জ্ঞ | স্ত্ৰ | ন্ত |

⇨ তলত দিয়া বাতৰি-কাকতৰ দফাটো পঢ়ি কি বুজিলা কোৱা ।

(বাতৰি-কাকতৰ পৰা এটা দফা কাটি পঢ়িবলৈ দিব)

**ভেজাল গাখীৰ আৰু দুগ্ধজাত সামগ্ৰী**

সু-স্বাস্থ্য সকলোৰে কাম্য। আনন্দ আৰু উন্নতমানেৰে জীয়াই থাকিবলৈ হ'লে, মানুহ সু-স্বাস্থ্যৰ গৰাকী হ'বই

লাগিব। মানৱ শৰীৰ আৰু মন নিৰোগীকৈ ৰাখি সু-স্বাস্থ্যৰ গৰাকী হ'বলৈ উপযুক্ত নিৰ্ভেজাল আৰু পুষ্টিকৰ খাদ্য খোৱাটো অত্যন্ত জৰুৰী। গাখীৰ এনে এবিধ খাদ্য য'ত মানৱ শৰীৰৰ বাবে প্ৰয়োজনীয় সকলোবিধ পুষ্টিকৰ উপাদান পোৱা যায়। কিন্তু সম্প্ৰতি ভাৰতবৰ্ষত আটাইতকৈ বেছি ভেজাল হোৱা খাদ্য-সামগ্ৰীবিধেই হ'ল গাখীৰ আৰু দুগ্ধজাত সামগ্ৰী।

**ছাত্ৰ-ছাত্ৰীৰ অনুশীলন ঃ**

প্ৰশ্ন ঃ পাঠত থকা 'সঞ্চয়' নামৰ কবিতাটিৰ স্তৱকটো পাঠ কৰি কি বুজিলা কোৱা —

"পুণ্যতোয়া গঙ্গাজল সাঁচি থ'লে,
হয় শান্তিয়নী পৱিত্ৰ জল।
সোণৰ পাত্ৰতো ম'হৰ ঘুলিৰ
জল সাঁচি থ'লে নহয় নিৰ্মল।।
সাঁচি থোৱাকেই সঞ্চয় নকয়—
যদি তাৰ হিত সাধন নহয়।

⇨ তলত দিয়া যুক্তাক্ষৰকেইটাৰে শব্দ গঠন কৰি পঢ়া —

ক্ত  ঞ্চ  স্ত্ৰ  ন্ত্ৰ  স্প

⇨ বাক্যকাৰ্ডত থকা বাক্যশাৰীৰ পৰা এটি কাহিনী বৰ্ণনা কৰা —

**"বানপানী আৰু গৰখহনীয়াই মানুহৰ সপোন ভাঙে"**

⇨ তলৰ ছবিকেইখন চাই কাহিনী এটা নিজৰ কথাৰে কোৱা —



**প্ৰসংগ টোকা ঃ**

⇨ পাঠ্যপুথি - অংকুৰণ।

⇨ অসমীয়া ব্যাকৰণ প্ৰৱেশ - ড° গোলোক চন্দ্ৰ গোস্বামী।

⇨ অসমীয়া মাতৃভাষা শিক্ষণ পদ্ধতি - হলিৰাম দাস

⇨ বুঢ়ী আইৰ সাধু।

⇨ চন্দ্ৰকান্ত, হেমকোষ অভিধান।

***